# আত্মনিৰ্ভৰ ভাৰত

আত্মনিৰ্ভৰ শব্দৰ অৰ্থ হ'ল নিজৰ ওপৰত নিৰ্ভৰ হোৱা । অৰ্থাৎ যি উপায়েৰে আমাৰ জীৱিকাৰ বাবে অইনৰ পৰিৱৰ্তে নিজে নিজৰ ওপৰত নিৰ্ভৰ কৰিব পাৰো ।

আজিৰ সমাজ ব্যৱস্থাত জীৱিকা উপাৰ্জনৰ পথ বহুতো আছে । প্ৰায়বোৰ মানুহেই বিচাৰে যে নিজৰ সন্তানে ডাঙৰ হৈ যাতে এক ভাল জীৱিকাৰে জীৱন নিৰ্বাহ কৰিব পাৰে । কিন্তু বেছিভাগ মানুহৰে জীৱিকা বুলি ক'লেই এটায়ে কাম মনলৈ আহে সেইটো হ'ল চৰকাৰী চাকৰি । ল'ৰা-ছোৱালীক অভিভাৱকৰ লগতে স্কুল-কলেজেও ছাত্ৰ-ছাত্ৰীসকলক ভালকৈ পঢ়িবলৈ কোৱাৰ উদ্দেশ্য হৈছে কেৱল চৰকাৰী চাকৰি কৰা । ইয়াৰ প্ৰধান কাৰণ হ'ল উপযুক্ত দক্ষতাসম্পন্ন শিক্ষাৰ অভাৱ । আমাৰ ভাৰতবৰ্ষৰ লগতে অসমতো যিমান শিক্ষিত ল'ৰা-ছোৱালী আছে সেই হিচাপত চৰকাৰী চাকৰিৰ পদ সিমান নাই । যাৰ ফলত এতিয়া নিবনুৱা সমস্যাই বহু পৰিমাণে দেখা দিছে । বৰ্তমান অসমত প্ৰায় 25 লাখ নিবনুৱা আৰু সমগ্ৰ ভাৰতত প্ৰায় 31 নিযুত নিবনুৱা আছে । ইয়াৰ কাৰণ হৈছে আমাৰ শিক্ষাব্যৱস্থা কেৱল চৰকাৰী চাকৰিমুখীহে । ইয়াৰ পৰিৱৰ্তে উন্নত দেশবিলাকত বিভিন্ন দক্ষতাৰে ল'ৰা-ছোৱালীক শিক্ষাদান দিয়া হয় । ভাৰতবৰ্ষ এখন উন্নত দেশ হ'ব নোৱাৰাৰ এয়াও এক কাৰণ ।

এইবিলাক সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে সকলোকে আত্মনিৰ্ভৰশীল হোৱাৰ পৰিকল্পনাৰে 2015 চনত Skill India (কৌশল ভাৰত) ব্যৱস্থাৰ আৰম্ভণি কৰিছিল । যাৰ জৰিয়তে ভাৰতৰ সকলো ৰাজ্যৰে ল'ৰা-ছোৱালীক বিভিন্ন প্ৰতিভাৰে নিজকে দক্ষ কৰি তুলিব পাৰে । এই দক্ষতা বিকাশ শিক্ষা ব্যৱস্থাই বিভিন্ন দক্ষতা যেনে- কম্পিউটাৰৰ পৰা আৰম্ভ কৰি হস্ততাত-ৰেচম শিল্প, সৌন্দৰ্য্যচৰ্চা আদি বিষয় বিলাকত গুৰুত্ব প্ৰদান কৰি আহিছে । ইয়াৰ প্ৰধান উদ্দেশ্য এইটোৱে যে চাকৰি নথকা ল'ৰা-ছোৱালীয়ে যাতে আত্মনিৰ্ভৰশীল হৈ জীৱন নিৰ্বাহ কৰিব পাৰে । দক্ষতা নথকা বাবেই যিহেতু ভাৰতৰ ল'ৰা-ছোৱালী অইন দেশৰ তুলনাত বহু পৰিমাণে পিছপৰি আছিল । সেইবাবে ভাৰত চৰকাৰে এই শিক্ষা ব্যৱস্থা সম্পূৰ্ণ বিনামূলীয়াকৈ দিয়াৰো ব্যৱস্থা কৰিছে । তাৰোপৰি যিসকল ল'ৰা-ছোৱালীয়ে বিদ্যালয় আধাতে সামৰিছে তেওঁলোককো দক্ষ কৰি তুলিবলৈ এই দক্ষতা শিক্ষাৰ ব্যৱস্থা কৰা হৈছে ।

বৰ্তমানে এই ব্যৱস্থাই নিবনুৱা সমস্যা সমাধান কৰাত বহু পৰিমাণে সহায় কৰিছে । পুৰুষৰ লগতে মহিলাসকলেও আত্মনিৰ্ভৰশীল হোৱাত সহায়ক হৈছে । বিশেষকৈ গ্ৰাম্যাঞ্চলৰ মহিলাসকল হস্ততাত-ৰেচম শিল্পকে ধৰি বিভিন্ন খাদ্য প্ৰস্তুতকৰণ ব্যৱসায়েৰে আত্মনিৰ্ভৰ হ'বলৈ সুবিধা পাইছে । এতিয়া অন্ততঃ চাকৰি নাপালেও নিজৰ দক্ষতা বিকাশ কৰি বহুতেই আত্মনিৰ্ভৰ হ'বলৈ লৈছে ।

সম্প্ৰতি এই বিশ্বায়নৰ যুগত আমি অইন দেশৰ লগত ফেৰ মাৰিবলৈ হ'লে আমাৰ সমাজ ব্যৱস্থা Digital হ'ব লাগিব । এই পৰিকল্পনাৰে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 2014 চনৰে পৰা Digital India ৰ কথা ঘোষণা কৰি আহিছে । সেই উদ্দেশ্যৰে তেওঁ 2020 চনৰ 12 মে তাৰিখে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ আৰম্ভণি কৰিছিল । ইয়াৰ বাবে তেওঁ 20 লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজ ঘোষণা কৰিছিল । এই আত্মনিৰ্ভৰ ভাৰতৰ মূল লক্ষ্য হ'ল আমি সকলোৱে স্বদেশী উৎপাদিত বস্তুৰ ব্যৱহাৰ বৃদ্ধি কৰা আৰু বিদেশী বস্তুৰ ব্যৱহাৰ হ্ৰাস কৰা । ইয়াৰোপৰি ভাৰতবৰ্ষত বস্তু আমদানিৰ তুলনাত ৰপ্তানি বৃদ্ধি কৰি বিশ্ব অৰ্থনীতিৰ এক ডাঙৰ আৰু গুৰুত্বপূৰ্ণ অংশ হিচাপে গঢ়ি তোলা ।

এই আত্মনিৰ্ভৰ ভাৰত ব্যৱস্থাৰ ফলত ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰ হ'বলৈ গৈ আছে । কিয়নো আমাৰ দেশে যদি আমদানিৰ তুলনাত ৰপ্তানি বৃদ্ধি কৰিব পাৰে তেন্তে ভাৰতৰ ৰাজহৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাব । ইয়াৰ বাবে দক্ষতা বিকাশৰ গুৰুত্ব অপৰিসীম । ভাৰতৰ সকলো মানুহকে ভিন ভিন বিষয়ত দক্ষ কৰি তুলিব পাৰিলে ভাৰতবৰ্ষ এদিন নিশ্চয় এছিয়াৰে নহয়, সমগ্ৰ বিশ্বৰ ভিতৰতে এখন ধনী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব । ইতিমধ্যে আমাৰ দেশত আত্মনিৰ্ভৰ ভাৰত ব্যৱস্থাৰ কাম আৰম্ভ হৈছে । আজিকালি বিভিন্ন ধৰণৰ ইলেক্ট্ৰনিকচ্ বস্তু যেনে মোবাইল ফোন আদি বাহিৰৰ আমদানি বন্ধ কৰি ভাৰততে উৎপাদন কৰাৰ কাম আৰম্ভ হৈছে । যাৰ ফলস্বৰূপে ভাৰতৰ ল'ৰা-ছোৱালীয়ে নিজ দেশতে কাম কৰিবলৈ সুবিধা পাইছে । এই গতিধাৰা অব্যাহত থাকিলে ভাৰতবৰ্ষই সচাকৈয়ে এদিন বিশ্বৰ মানচিত্ৰত সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হ'ব ।

*লিখক*

**হিতেন বৰ্মন**

প্ৰশিক্ষক, অসম দক্ষতা বিকাশ অভিযান

*********